**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2025
**Time:** 12-05 Hrs

## *Assamese Midday Bulletin*

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলা বানৰ কবলত পৰিছে। গোৱালপাৰা, লখিমপুৰ, গহপুৰ, নগাঁৱৰ কামপুৰ, পশ্চিম কাৰ্বি আংলং, হোজাই, তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। গুৱাহাটী মহানগৰীৰ বান পৰিস্থিতি কিছু শাম কাটিছে যদিও কেইবাটাও অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। কামৰূপ জিলাৰ বকোত মেঘালয়ৰ পানীয়ে বানৰ সৃষ্টি কৰিছে। মেঘালয়ৰ পৰা নামি অহা পানীয়ে শিঙৰা সংৰক্ষিত বনাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এটা অংশ খহাই নিয়াৰ ফলত যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। প্ৰচুৰ বৃষ্টিপাতৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজৰ জীৱন আৰু সম্পত্তি সুৰক্ষাৰ গোৱালপাৰা জিলা প্ৰশাসন ২৪ ঘণ্টাই সন্তম হৈ আছে। নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

শিৱসাগৰ জিলাৰ মামল গড়ভগাত ব্ৰহ্মপুত্ৰৰ শ্লুইছগেট ভগাৰ ফলত জিলাখনৰ কোৰৰপুৰ মৌজাৰ কৃষিভূমি আৰু জনবসতিপূৰ্ণ এলেকাসমূহ বানৰ কবলত পৰিছে।

অন্যান্য জিলাসমূহৰ লগতে লখিমপুৰৰ কেইবাটাও প্ৰান্তত বানৰ প্ৰকোপ পৰিলক্ষিত হৈছে। নীপকোৱে ৰঙানদীৰ পানী এৰি দিয়াৰ ফলত লখিমপুৰৰ বিস্তীৰ্ণ অঞ্চল বাঢ়নী পানীয়ে বুৰাইছে। বাঢ়নী পানীৰ ফলত চাৰি ঠাইত ৰঙানদীৰ মথাউৰি ছিগিছে আৰু দুজন লোকে প্ৰাণ হেৰুৱাইছে। বানৰ ফলত ভালেসংখ্যক লোকৰ বাসগৃহৰ ক্ষতি হৈছে আৰু পথ যোগাযোগো ব্যাহত হৈছে। নাওবৈচাৰ পেৰাভাৰী, বান্তো, ডিজু পথাৰ আদিকে ধৰি ৩০ খন গাঁও জলমগ্ন হৈ পৰিছে। ডিক্ৰং নদীৰ বাঢ়নী পানীত পাৰ্শ্ববৰ্তী এলেকাসমূহ জলমগ্ন হৈ পৰিছে।

বছৰটোৰ প্ৰথমটো বানত নগাঁৱৰ কামপুৰ ৰাজহ চক্ৰৰ কেইবাখনো গাঁও জলমগ্ন হৈছে। কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পই পানী এৰি দিয়াৰ ফলত বৰপানী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। কচুৱা, মাধৱপাৰা, শিমলুগুৰি, ৰমনীপথাৰকে ধৰি ২৭ খন গাঁও বৰপানী নৈৰ বাঢ়নী পানীত বুৰ গৈছে।

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ খানডং জলবিদ্যুৎ প্ৰকল্পৰ ৭ খন গে'ট খুলি দিয়াত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। ইয়াৰ ফলত হোজাইৰ কেইবাখনো গাঁও বানৰ কবলত পৰিছে। হোজাই জিলা আয়ুক্তগৰাকীয়ে কালি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে আশ্ৰয় শিবিৰ স্থাপন কৰা সন্দৰ্ভত পৰ্যালোচনা কৰে।

ইপিনে কেইবাদিনো ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত **তিনিচুকীয়া** জিলাৰ গুইজানৰ নতুন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল প্লাবিত হৈছে। **ডিব্ৰুগড়** জিলাত ব্ৰহ্মপুত্ৰৰ পানী অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। ব্ৰহ্মপুত্ৰ বাঢ়নী পানীয়ে চানমাৰিৰ নতুন গাঁও বুৰাই পেলাইছে। চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত পুখুৰীজানত ব্ৰহ্মপুত্ৰৰ পানী মথাউৰি ওপৰেৰে বাগৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। **মাজুলীৰ** বিৰিণাবাৰী গাঁৱৰ ঠেকেলানী বিলৰ পাৰৰ কেইবা বিঘা বৰো ধানৰ খেতি বানে বুৰাই পেলাইছে। ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰিৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত খেতি পথাৰ জলমগ্ন হৈ পৰিছে।

**গোলাঘাট** জিলাৰ নুমলীগড়ত কালিয়নী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। কালিয়নী নৈৰ বাঢ়নী পানীত আবদ্ধ হৈ পৰা তিনিখন বাহনৰ চালক আৰু হেণ্ডিমেনক প্ৰশাসনৰ লোকে স্পীড বটৰ সহায়ত উদ্ধাৰ কৰে।

০০০০

ব্ৰহ্মপুত্ৰ নদৰ জলস্তৰ বৃদ্ধি হোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজত ফেৰী সেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত কৰা হৈছে। যোৰহাট জিলা প্ৰশাসনে সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অপাৰেশ্বন চেণ্টাৰক অৱগত কৰিবলৈ অনুৰোধ জনাইছে।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ বাৰিষাৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সাজু হৈ উঠিছে। ইতিমধ্যে উদ্যানখনৰ নদী, বিলসমূহ পানীৰে উপচি পৰিছে। অগৰাতলী বনাঞ্চলৰ বিষয়াসহ সকলো বনকৰ্মী স্পৰ্শকাতৰ এই সময়ছোৱাৰ সৈতে মোকাবিলা কৰিবলৈ সাজু হৈছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জানিবলৈ দিছে। বন বিভাগে বানপানীৰ সময়ছোৱাত বনাঞ্চলৰ জীৱসমূহ আশ্ৰয়ৰ সন্ধানত ওলাই আহি দাঁতিকাষৰীয়া গাঁৱসমূহত প্ৰৱেশ কৰে বাবে কেইবাখনো সজাগতা সভাও অনুষ্ঠিত কৰিছে। উদ্যান কৰ্তৃপক্ষই বনাঞ্চলখনৰ ৩৪ টা বন শিবিৰত একোখনকৈ নাওৰ  ব্যৱস্থা কৰিছে। বানৰ সময়ছোৱাত অতিৰিক্তভাৱে  বনকৰ্মী মোতায়েন কৰা হ'ব বুলিও বনাঞ্চলিক বিষয়াই আমাৰ সংবাদদাতাক জানিবলৈ দিছে।

০০০০

বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত **বৰষুণৰ এটা দিন** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত পৰহি গুৱাহাটী মহানগৰীত হোৱা অভূতপূৰ্ব  নগৰীয়া বানৰ সময়ত সৃষ্টি হোৱা অচলাৱস্থা আৰু এই সময়ত মানৱীয় প্ৰমূল্য সম্পৰ্কত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, আৰক্ষী কৰ্মচাৰী আৰু সাংবাদিকৰ মতামত শুনিবলৈ পাব। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ এটা দলে  ড০ কংকন শৰ্মাৰ নেতৃত্বত মেঘালয়ৰ চূণশিলৰ গুহাৰ গভীৰতাত এবিধ নতুন প্ৰজাতিৰ মাছ চিনাক্ত কৰিছে। লেডী কিন কলেজ, শ্বিলং আৰু আই চি এ আৰ নেচনেল ব্যুৰ' অৱ ফিছ জেনেটিক ৰিছাৰ্ছ লক্ষ্ণৌৰ সহযোগিতাত আৱিষ্কাৰ কৰা মাছৰ প্ৰজাতিবিধক **শ্বিষ্টুৰা ডেনচিক্লাভা** নামেৰে নামকৰণ কৰিছে। মেঘালয়ৰ অতি অন্ধকাৰ গুহাৰ মাটিৰ তলত শ শ মিটাৰ গভীৰতাত পোৱা এই মাছবিধে অতি দুৰ্গম পৰিস্থিতিত জীয়াই থাকিব পাৰে। এই গৱেষণা আৰু আৱিষ্কাৰে গুহাৰ পৰিৱেশত মাছৰ জীৱন প্ৰণালী বিষয়ে বিশদ অধ্যয়নৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰা হৈছে। নিজৰাৰ পৰা গুহাত প্ৰৱেশ কৰা এই মাছে কি অভিযোজনাৰ মাজেৰে জীয়াই থাকে সেয়াও গৱেষণা কৰাৰ যথেষ্ট থল আছে বুলি প্ৰাণীবিজ্ঞানৰ গৱেষকসকলে মত প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................